DATA ENTERED

অকণিৰ

# বেজবৰুৱা

শ্ৰীকমলেশ্বৰ চলিহা

DIBRU COLLEGE CENTRAL LIBRARY
ESTD.-1963
DIBRUGARH
G975
G975

দত্তবৰুৱা এণ্ড কোম্পানী

প্ৰকাশক :
শ্ৰীমুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱা, এম-এ
দত্তবৰুৱা এণ্ড কোম্পানী

অকণিৰ বেজবৰুৱা
১ম প্ৰকাশ, ১৯৬৮
মূল্য এটকা

শ্ৰীগুৰু প্ৰেছত মুদ্ৰিত

# অকণিৰ বেজবৰুৱা

## ১

চেনি আমি খাবলৈ ভাল পাওঁ। কাৰণ চেনি সোৱাদ। কথাবোৰো যদি চেনিৰ দৰে সোৱাদ হয় শুনিবলৈ ভাল লাগে।

কিন্তু পৃথিৱীখন সদায় তেনে নহয়। তাত তিতাও আছে। এই তিতা-মিঠাৰে মিহলি হৈ আমাৰ পৃথিৱীখন।

এই পৃথিৱীখনত জহো আছে, জাৰো আছে, বাৰিষাও আছে। এইবোৰৰ লগত আমি মিলিজুলি থাকিব লাগে। আমাৰ জীৱনৰ লগত্ এইবোৰ মিলাই লৈ থাকিব লাগিব, নহ'লে আমাৰ বিপদ।

লক্ষ্মীনাথ বেজবৰুৱাই ষড়-ঋতুৰ ডাক নামৰ কবিতা এটাত এইদৰে লিখি গৈছে—

জাৰ জহ বাৰিষাৰে
মিলিজুলি লবা,
নহ'লে তোমাৰ নাও
বুৰিব জানিবা।

এইজনা লক্ষীনাথ বেজবৰুৱাৰে চিনাকি দিবলৈ আৰু তেওঁৰ বিষয়ে ক'বলৈ ওলাইছোঁ। তেওঁ আমাৰ কাৰণে ভাল কথা লিখি থৈ গৈছে। সেইবোৰ পঢ়ি আমি সোৱাদ পাওঁ।

২

মহাভাৰতৰ দিনত গুৱাহাটীক প্ৰাগজ্যোতিষপুৰ বুলিছিল। প্ৰবল প্ৰতাপী ৰজা ভগদত্ত ইয়াতে আছিল। তেওঁ বহুতো হাতী লৈ গৈ কুৰুক্ষেত্ৰত দুৰ্য্যোধনৰ লগৰীয়া হৈ পাণ্ডৱৰ বিপক্ষে যুদ্ধ কৰিছিল। শ্ৰীকৃষ্ণ আছিল ভাৰতৰ পশ্চিমমূৰে দ্বাৰকাত। কুণ্ডিল নগৰলৈ আহি ৰুক্মিণীক বিয়া কৰাইছিল। কুণ্ডিল নগৰ লক্ষীমপুৰ জিলাৰ সদিয়াৰ ওচৰত। নৰকাসুৰৰ পৰ্বত গুৱাহাটীতে। তাত নৰকাসুৰ ৰজাৰ ৰাজধানী আছিল। নৰকাসুৰ বোলে শ্ৰীকৃষ্ণৰে পুতেক। তেওঁ দুষ্ট আছিল বাবে শ্ৰীকৃষ্ণই তেওঁক বধ কৰে।

তাৰ পাচত হাজাৰ হাজাৰ বছৰ বাগৰি গ'ল।



বহুতো বংশৰ ৰজাই অসমত ৰাজত্ব কৰে। তাৰ চিন-মোকাম এতিয়াও শিল আৰু শিলালিপিত পোৱা যায়। আমাৰ দেশক পুৰণি কালত অশ্ম দেশ বুলিও কৈছিল। অতি পুৰণি কালত নাগ জাতি, কিৰাত জাতি, গন্ধৰ্ব-কিন্নৰ আদি নানা জাতিৰে আমাৰ দেশ ভৰপূৰ আছিল। তাৰ পাচত বৰাহী জাতি, কছাৰী জাতি, হাজং জাতি, মিৰি, মিকিৰ আদি নানা জাতিয়ে আমাৰ ৰাজ্যত থলুৱা জাতি হৈ বসতি কৰে। পশ্চিমৰপৰা বহুতো আৰ্য্যবংশৰ লোক আহি ইয়াত বসতি কৰে। কালক্ৰমত সকলো জাতি মিলি এক অসমীয়া জাতি হয়। এই অসমীয়া জাতিৰে পুলি-পোখা চাৰিওপিনে ছেদেলি-ভেদেলি হৈ আছে। তেওঁবিলাকক গোটখুৱাই একেডাল সূতাৰে গাঁথিবলৈ ডাঙৰ মানুহবিলাকে চেষ্টা কৰি আছে।

৩

পশ্চিমৰপৰা পূবলৈ যেনেকৈ জাতিৰ সোঁত বৈছিল সেইদৰে পূবৰপৰা পশ্চিমলৈকো বৈছিল। চুকাফা নামৰ

এজন ডাঙৰ মানুহ অসমলৈ আহিছিল পূবৰপৰা। নানা জাতিয়ে ৰাজত্ব কৰি থকা আমাৰ দেশ তেওঁ জয় কৰে। তেতিয়া আমাৰ দেশৰ নাম আছিল কামপীঠ, ৰত্নপীঠ আদি। চুকাফাই আহি যি দেশ জয় কৰিলে তাৰ নাম হ'ল সৌমাৰপীঠ।

অসমত চুকাফাৰ বংশই ছশ বছৰ ৰাজত্ব কৰে। তেওঁৰ বংশৰ শেষৰ ৰজা চন্দ্ৰকান্ত সিংহৰ দিনত অসমলৈ মান আহে। তেওঁলোক বৰ নিষ্ঠুৰ আছিল। মানে অসমীয়াক মাৰি কাটি খাস্তাং কৰে। মানৰ হাতৰপৰা ৰক্ষা কৰে ইংৰাজে। ডেভিড স্কটে মানক খেদি সন্ধি কৰে। সেই সন্ধিৰ নাম ইয়াণ্ডাবু সন্ধি। ১৮২৬ খৃষ্টাব্দত সেই সন্ধি-মতে অসম ইংৰাজৰ হাতলৈ আহে। সেই সময়ত অসমৰ ৰজা আছিল পুৰন্দৰ সিংহ। ইংৰাজে শিৱসাগৰ জিলাখন কৰদ ৰাজ্য হিচাবে তেওঁক দিব খুজিছিল। তেওঁ কৰ দিব নোৱাৰে বুলি ভাবি শিৱসাগৰখন নল'লে। সেই দেখি ইংৰাজে গোটেই অসমকে ভাৰত-সাম্ৰাজ্যৰ লগতে সুমাই থলে।



## ৪

পুৰন্দৰ সিংহৰ দিনত দীননাথ বেজবৰুৱা নামৰ এজন বৰ সৎ লোক আছিল। তেওঁ দৰৱ-পাতিৰ কাম বৰ ভালকৈ জানিছিল। ৰজাই তেওঁৰ হাতৰ ঔষধ খাবৰ মন কৰি তেওঁক ৰাজচ'ৰালৈ আনিলে আৰু সৎ আৰু জ্ঞানী যেন দেখি ৰাজচ'ৰাতে ৰাখিলে। পুৰন্দৰ সিংহৰ ৰাজ্য গ'লত শাসনৰ জৰী ইংৰাজে নিজৰ হাতলৈ ল'লে। দীননাথ বেজবৰুৱাক ইংৰাজ ৰজাই নগাঁৱত মুন্সফৰ চাকৰি দিলে। তেওঁ নগাঁৱৰপৰা বৰপেটালৈ বদলি হ'লত সৰু পত্নী থানেশ্বৰী দেৱীক লৈ নাৱেৰে ব্ৰহ্মপুত্ৰইদি ভটীয়াই যায়। গৈ গৈ আঁহতগুৰি নামেৰে ঠাই পালত ৰাতি হ'ল। সেইদিনা লক্ষ্মীপূজা আছিল। আকাশত পূৰ্ণিমাৰ জোন ওলাল। নাৱৰ ওপৰতে থানেশ্বৰী দেৱীৰ এটি কেঁচুৱা উপজিল। এই কেঁচুৱাটিয়েই লক্ষ্মীনাথ বেজবৰুৱা।

৫

১৮৬৮ চনৰ নৱেম্বৰ মাহত বেজবৰুৱাৰ জন্ম হয়। সৰুকালৰপৰাই বেজবৰুৱা স্বাধীনচিতীয়া আছিল। তেওঁ বন্ধন ভাল নাপাইছিল। নৈ-নিজৰা, হাবি-বননি তেওঁৰ আপোন বন্ধু। বতাহৰ লগত তেওঁ কথা পাতিব খোজে। লুইতৰ বালিত তেওঁ লৰি ফুৰিবলৈ বৰ ভাল পায়। তেতিয়া তেওঁ নিচেই সৰু ল'ৰা। তেওঁবিলাক অলে তলে যাওঁতে নাও নহ'লে নচলে । কাৰণ আমাৰ দেশত তেতিয়া ৰেল-গাড়ী নাছিল। এবাৰ তেওঁ উঠি যোৱা নাওখন বালিৰ কাষত বান্ধি থৈছিল। তেওঁ একে জঁাপে বালিলৈ নামি গৈ তাৰপৰা ঘৰিয়ালৰ কণী বিচাৰি আনিছিল। বনৰীয়া ম'হ পোৱালিৰ লগত তেওঁৰ বালিয়ে বালিয়ে লৰি ফুৰিবৰ মন গৈছিল।

সৰুতে বেজবৰুৱাই সাধুকথা শুনি ভাল পাইছিল। ডাঙৰত তেওঁ ভাল সাধুকথা কোৱা হ'লগৈ। সাধুকথা বিলাকত থাকে—এক ৰজাৰ দুজনী ৰাণী আছিল। ডাঙৰ



জনী লাগী,সৰুজনী এলাগী। এলাগী ৰাণীক ৰজাই দুখ দিছিল। এলাগীৰ দুখত দিন যায়। পিচত এলাগীৰপৰা উপজিল ৰাজকোঁৱৰ আৰু লাগীৰপৰা উপজিল মেকুৰী এটা। পিচত ৰজাই লাগীক দুষ্ট বুলি জানিব পাৰি হাতীৰে গচকাই মাৰিলে, এলাগীক ৰাণী পাতিলে। সাধুকথাবিলাকত সদায় সজ বিচাৰ থাকে । সেইদেখি সেইবোৰক সাধু বোলে। দুখীয়া মানুহৰ দুখে কুলাই-পাচিয়ে নধৰে । তেওঁবিলাকক লোকে ঠগি খাই মাটি-বাৰী নোহোৱা কৰে। ঈশ্বৰে পিচত দুখীয়াবিলাকৰ দুখৰ ডাৰৰ আঁতৰাই সুখ দিয়ে। সাধুত এনেকুৱা কথাকে পোৱা যায়। সেইবাবে সাধুবোৰে আনন্দ দিয়ে আৰু আমাক সজ আৰু সাধু মানুহ কৰে। সাধুকথাবিলাকত জীৱজন্তু বিলাকেও মাত মাতে, মানুহৰ দৰে কথা কয়। বেজবৰুৱাই ডাঙৰ হৈ ভাল ভাল সাধুকথাৰ কিতাপ কেবাখনো লিখিছিল। সেইবোৰ পঢ়ি সকলোৱে ৰং পায়। 'জুনুকা', 'সাধুকথাৰ কুকি', 'সুৰভি', 'জোনবিৰি', 'ককাদেউতা আৰু নাতি ল'ৰা', 'বুঢ়ী আইৰ সাধু' বেজবৰুৱাৰ কাপৰপৰা ওলোৱা।

৬

গুৱাহাটীৰ পঢ়াশালিত পঢ়িবলৈ বুলি দেউতাকে নাম লগাই দিলে। তাত তেওঁ পঢ়ি ভাল নাপালে। অঙ্কৰ শিক্ষকে হুকিয়াই কথা কোৱা তেওঁ সহিব নোৱাৰে। স্কুলত থাকিলে তেওঁৰ নিজক সজাত সুমাই থোৱা চৰাই-পোৱালিৰ দৰে লাগিছিল। বাহিৰলৈ উৰি যাবলৈ চৰাই পোৱালিয়ে যেনেকৈ সজাৰ শলাবোৰত খুন্দিয়ায়, বেজবৰুৱায়ো তেনেকৈ খুন্দিয়াবলৈ ধৰিলে।

বেজবৰুৱাই ঘৰতে ক-খ পঢ়ি লৈছিল। তেওঁ বিলাক লক্ষীমপুৰত থাকোঁতেই ৰবিককা নামৰ এজন ডেকাই তেওঁক কলা পাতত আখৰ লিখিবলৈ শিকাইছিল আৰু শিকাইছিল 'কাল কাক', 'ভাল নাক' পঢ়িবলৈ। এই-বোৰ অসমীয়া কথা নহয়, বঙালীহে। বেজবৰুৱাই সৰুতে এনে বঙালী কিতাপহে পঢ়িবলৈ পাইছিল। তেতিয়াৰ অসমত পুৰণি সাঁচিপতীয়া পুথিত বাহিৰে আন একো কিতাপেই লিখা হোৱা নাছিল। লক্ষীমপুৰত তেতিয়া কোনো



পঢ়াশালিয়েই নাছিল। বেজবৰুৱা পঢ়ে ক'ত? বেজবৰুৱাৰ দেউতাক দীননাথ বেজবৰুৱা জনা-বুজা মানুহ। তেওঁ নিজেও বহুত শাস্ত্ৰ জানিছিল আৰু লোককো জ্ঞানী কৰিবলৈ বিচাৰিছিল। সেয়ে লক্ষীমপুৰত এখন পঢ়াশালি পাতি দিলে।

দিনৰ দিনটো তেওঁ ধিতিঙালি কৰি ফুৰে। নৈত সাঁতোৰে, গছৰ গুটি পাৰি খায় আৰু বাঁহী বজাই ফুৰে। বাঁহীটো আছিল মাটিৰ। দুৰ্গেশ্বৰ খনিকৰ নামেৰে এজন মানুহ আছিল। তেওঁ মাটিৰ প্ৰতিমা সাজে। হেঙুল, হাইতাল আৰু নীল তেওঁ গোটাই লৈ প্ৰতিমাৰ গাত সেই ৰহণবোৰ সানে। তেতিয়াহে প্ৰতিমাখন দেখিবলৈ ধুনীয়া হয়। বেজবৰুৱাই এদিন খনিকৰক সুধিলে, "ককাইদেউ, এই বিতোপন ৰংবোৰ ক'ত পালা?" খনিকৰে ক'লে, "সৌ যে ৰঙা, বগা, হালধীয়া, কজলা বৰণৰ মেঘৰ চপৰাবোৰ দেখিছা, মই তাৰপৰাই এই ৰহণবোৰ আনো।" বেজবৰুৱাই সুধিলে, "আমিও আনিব নোৱাৰোনে?" খনিকৰে উত্তৰ দিলে, "তহঁতে নোৱাৰ।" বেজবৰুৱাই আকৌ ক'লে, "ককাইদেউ, মোকো চপৰাচেৰেক আনি দিয়া।" খনিকৰে 'দিম বাৰু আনি' বুলিয়েই থাকিল কিন্তু নিদিলে।

কিন্তু মাটিৰে সাজি দিলে তেওঁক বাঁহী এটা। সেইটোক সুতুলি বুলিও কয়।

বেজবৰুৱাই দিনে-ৰাতিয়ে সেই সুতুলিটো বজাই ফুৰা দেখি এদিন ৰবিককাই সেইটো তেওঁৰ হাতৰপৰা কাঢ়ি লৈ মাটিত এচাৰ মাৰি ভাঙি পেলালে। কিন্তু খনি-কৰে আৰু এটা সাজি দিলে, ৰবিককাই কিন্তু এলাপেচা বিধৰ নহয়। তেওঁ সেইটোও আগৰ দৰে বেজবৰুৱাৰ হাতৰপৰা কাঢ়ি লৈ ভাঙি পেলালে। এইবাৰ বেজবৰুৱাই নিজে সাজি ল'লে সুতুলি এটা আৰু আগৰ দৰে বজাই ফুৰিবলৈ ধৰিলে। মাটি লাগি তেওঁৰ ওঁঠ দুটা বগা হৈ পৰিল। কিন্তু তেওঁ তাক বজাবলৈ নেৰিলে। বেজবৰুৱাই ডাঙৰ হৈ বাঁহী নামে যিখন অসমীয়া মাহেকীয়া কাকত উলিয়াইছিল সম্ভৱতঃ সেইখন এই সুতুলি বা মাটিৰ বাঁহীৰ স্মৃতিত কৰিছিল। বাঁহীয়ে কৈছিল, 'জ্ঞানতকৈ পবিত্ৰ একো নাই'।



## ৭

শিৱসাগৰৰ হাই স্কুলত বেজবৰুৱাই ইংৰাজী পঢ়িবলৈ লয়। তাত তেতিয়া হেড্‌মাষ্টৰ আছিল চন্দ্ৰমোহন গোস্বামী। এওঁ বঙালী মানুহ। তেতিয়ালৈকে অসমীয়া ভাষা চলা নাছিল।

বেজবৰুৱাই ফেঁহুজালি দিওঁতেই শোৱাপাটী এৰে। দিখৌ নৈত জোবোৰা মাৰি দেউতাকৰ বাবে পূজাৰ ফুল তোলে, কোষা-অৰ্ঘা সজাই থয়। তাৰ পাচত গোসাঁই ঘৰত নাম-প্ৰসঙ্গ কৰিবলৈ লয়। তাৰ আগতে নিজে গোবৰ-মাটিৰে গোসাঁই ঘৰটো মচে। নাম-প্ৰসঙ্গ শেষ হ'লে ডবা, শঙ্খ, বৰকাঁহ বজোৱা কাম শেষ কৰি ভাতৰ পাতত বহে। তাৰ পাচতহে তপতে তপতে ভাতমুঠি গিলি লৈ কাপোৰ-কানি পিন্ধি স্কুললৈ লৰ ধৰে। স্কুলত প্ৰায় সকলোৰে শেষতহে সোমায়। শিক্ষকে বেঞ্চৰ ওপ-ৰত তেওঁক থিয় হ'বলৈ কয়। তেওঁ হাত-যোৰকৈ শিক্ষ-কক নমস্কাৰ কৰি বেঞ্চৰ ওপৰত উঠে। যেতিয়া তেওঁ

স্কুলত উপস্থিত হ'বলৈ বাটেদি লৰি যায় তেতিয়া তেওঁৰ মূৰৰ টিকনি বতাহত লৰে।

আবেলি স্কুলৰপৰা আহি আকৌ জোবোৰা মাৰি গা ধুইহে জলপান খাবলৈ পাইছিল। আবেলি পৰত ভাগৱত পাঠ কৰি সন্ধিয়া আকৌ নাম-প্ৰসঙ্গ কৰিছিল। এই সকলোবোৰ শেষ কৰি ৰাতি যেতিয়া স্কুলীয়া কিতাপ আগত মেলি লয়, তেতিয়া দিনটোৰ পৰিশ্ৰমৰ পাচত টোপনিয়ে সাবটি ধৰিব খোজে। ৰাতি ভাত-পানী খাবৰ আগতে আকৌ এবাৰ বেজবৰুৱাই গা ধুই লব লগাত পৰে। জাৰকালি, জহকালি সকলো দিনতে একেদৰে গা ধুই ৰাতিৰ নাম-প্ৰসঙ্গ কৰিব লাগে। তাৰ পাচত ভাত-পানী খাই উঠি আকৌ গোসাঁই ঘৰৰ টুপত শেহ-নাম গাই দেউতাকৰ আগত পুথি পঢ়ি শুনাব লাগে। তাৰ পাচতহে শুবলৈ যাব পাৰে। বেজবৰুৱা তেতিয়াও চৈধ্য পোন্ধৰ বছৰীয়া ল'ৰা।

আগতে লক্ষীমপুৰত থাকোঁতে 'জৰাসন্ধ বধ' ভাওনা দেখি যেনেকৈ ভীম, জৰাসন্ধৰ বচন মাতি গদা-যুদ্ধ কৰিছিল, এইবাৰ তেনেকৈ নাম-প্ৰসঙ্গ আৰু দৌল-ফাকুৱা পূজা দেখি ধেমালি পাতি পূজা আৰু নাম-প্ৰসঙ্গ



কৰিছিল। তেওঁৰ লগৰীয়া আছিল লক্ষীমপুৰত পদ্মনাথ গোঁহাই বৰুৱা। শিৱসাগৰত নিজৰ ককাইদেৰেক দুই-এজনৰ লগতে ধেমালি-ধুমুলা কৰিছিল। তেওঁবিলাকৰ বৰিককা কিন্তু যমৰ দৰে আছিল। এই ধেমালিবোৰ তেওঁ দেখিব নোৱাৰিছিল।

বাহিৰা কামত বেজবৰুৱা যিমান পকিছিল, পঢ়াশুনা কৰাৰ কামত কিন্তু সিমান চোকা নাছিল। স্কুলৰ পাঠ্য পঢ়িবৰ বাবে তেওঁ সময়কে নাপাইছিল। হাই স্কুলৰ পঞ্চম শ্ৰেণীত পাঢ় থাকোঁতেহে তেওঁ সেই শ্ৰেণীৰ বছেৰেকীয়া পৰীক্ষাত তৃতীয় ঠাই অধিকাৰ কৰি প্ৰমোচন পাইছিল।

স্কুলত তেওঁ দুষ্টালি নকৰিছিল। কিন্তু আন ল'ৰাই কৰা দুষ্টালিৰ বাবে তেওঁহে কোব খাইছিল। মহীকান্ত নামে ল'ৰা এটাই তেওঁৰ লগত শ্ৰেণীৰ ভিতৰতে আঙুলিৰ বল পৰীক্ষা কৰিবলৈ বেজবৰুৱাৰ হাতখন আজুৰিছিল। হেড্‌মাষ্টৰ শ্ৰীনাথ গুহই মহীকান্তক শাস্তি নিদি বেজবৰুৱাক মাতি নি তেওঁৰ হাতৰ তলুৱাত বেতেৰে দুটা কোব মাৰিছিল।

এদিন তেওঁবিলাকৰ শিক্ষক এজনে মুগাৰ চুৰীয়া পিন্ধি স্কুললৈ গৈছিল। মুখ চোকা ল'ৰা এটাই তেওঁৰ

ফালে চাই ক'লে, আজি চাৰে মুগাৰ চুৰীয়া পিন্ধি আহিছে। শিক্ষকজনৰ খং উঠিল। তেওঁ ক'লে, তোৰ বাপেৰৰ ঘৰৰ মুগাৰ চুৰীয়া পিন্ধি আহিছোঁ নেকি ? এই কথাত সকলোবোৰ ছাত্ৰই গিৰগিৰণি পাৰি হাঁহিবলৈ ধৰিলে। তাৰ লগতে বেজবৰুৱাই মিচিকাইছিল হ'বলা। শিক্ষকজনে বেজবৰুৱালৈ চাই ক'লে, তুমি সিংহৰ পোৱালি শিয়াল হ'লা কিয় ? বেজবৰুৱাই এই কথাত বৰ লাজ পালে। বেজবৰুৱাৰ তেতিয়াও পঢ়া-শুনাত মন বহা নাছিল। নপঢ়ি-নুশুনি থাকিব পাৰিলেই যেন তেওঁ ৰক্ষা পৰে। তেওঁৰ মনৰ ভাব তেতিয়া তেনেকুৱা।

সৰুকালৰপৰা বহল প্ৰকৃতিৰ লগত চিনাকি হৈ বেজবৰুৱাৰ মনটো কবিত্বপূৰ্ণ হৈ পৰিছিল। কবি হ'লে যে মানুহ অলপ এলেহুৱা হয়, এই কথাটো ডাঙৰ কবিসকলৰ জীৱনৰপৰা জানিব পাৰি। কিন্তু বেজবৰুৱা জানো এলেহুৱা আছিল ? কেতিয়াও নাছিল। তেওঁ ওৰে দিনটো কামতে কটায়। শাস্ত্ৰ-ভাগৱত পঢ়া জানো কাম নহয় ? ভোৰ-তাল বজাই নাম-কীৰ্তন কৰা, গোসাঁই ঘৰ মচা, পূজাৰ ফুল-তুলসী তোলা, কোষা-অৰ্ঘা মাজি ধুই-পখালি থোৱা, শঙ্খ ঘণ্টা বৰকাঁহ বজোৱা এইবোৰ জানো কাম



নহয় ? এইবোৰ কাম কৰাৰ উপৰিও দিখৌ নৈত জঁাপ মাৰি পৰি চিলনী-সাঁতোৰা দি উটি যায়, গছে গছে বগাই ফল-ফুল পাৰি ফুৰে। তদুপৰি কোনোবা আলহী-অতিথি আহিলে ভালকৈ আলপৈচান ধৰি বহুৱাই-মেলি তেওঁৰ-পৰা সাধুকথা শুনে। কিন্তু পঢ়া-শুনাৰ ফালে তেওঁৰ সিমান মন নাই কিয় ? এটা শ্ৰেণীতে দুবছৰ ৰ'বলৈ হ'লে তেওঁৰ মনত আনন্দ। তেওঁৰ ধাউতি আছিল ধেমালি কৰিবলৈ আৰু টপাককা টপাককা বুলি ৰবিকুকাক জোকাবলৈ। তেওঁ যেতিয়া এণ্ট্ৰেঞ্চ শ্ৰেণীলৈ উঠিল, তেতিয়া তেওঁক কোনোবাই ক'লে যে, তাত দুবছৰ ৰ'লে ফট্‌কৰে 'এলাও' হয়।

বেজবৰুৱাই সেইডোখৰ সময়ৰ কথা নিজে এনেকৈ লিখিছে—

"একেই মই বুঢ়ী নাচনিয়াৰ, তাতে যেতিয়াই এণ্ট্ৰেঞ্চ ক্লাছত উঠি এই নাতিনীৰ বিয়া দেখিলোঁ, মোক আৰু পায় কোনে ? মোৰ পঢ়া-শুনাই মোক্ চা, মোক্ চা কৰি ডেও দিবলৈ ধৰিলে; আৰু মই মোৰ কিতাপ-পত্ৰবোৰ বৰ-চাঙত তুলি থৈ দি নিশ্চিন্ত হ'লোঁ। ফলত সম্পূৰ্ণ এবছৰ

মোৰ নপঢ়া-নুশুনা নামৰ ৰূপহী মদাৰ জোপা জকৃমকীয়া হৈ ফুলিল, তল ভৰি সৰিল, আৰু গুৰু-ভকত ক'তো তাৰ ফুল এপাহো নালাগিল।"

৮

ওপৰত দিয়া বেজবৰুৱাৰ কথাখিনি ভালকৈ পঢ়িলে বুজিব পাৰি যে নপঢ়া-নুশুনা ল'ৰা মদাৰ ফুলৰ নিচিনা। মদাৰ ফুলৰ যেনেকৈ ক'তো আদৰ নাই, পঢ়া-শুনা কৰি জনা-বুজা নোহোৱা ল'ৰাবো তেনেকৈ ক'তো আদৰ নাই। এই কথাটো বেজবৰুৱাই সৰুকালতেই বুজিব পাৰিছিল। তেওঁৰ তেতিয়া সোতৰ বছৰ বয়স। সেইবাৰ তেওঁ মৰি-মৃজি পঢ়িলে। বাহিৰা কাম এৰি দিলে, ঘৰকৈ ধেমালিও নকৰা হ'ল। বেলি নৌ ওলাওঁতেই শিৱসাগৰৰ বাজহুৱা নামঘৰটোৰ ভিতৰ সোমাই তাত লেপেটা কাঢ়ি বহি পাঠ্য কিতাপ হাতত লৈ তন্ময় হৈ পঢ়ে। ওচৰৰে গছৰ তলত থকা এটা মানুহে তেওঁক দেও-ভূত বুলিহে ভাবিছিল। তাত পঢ়া-শুনা কৰি থাকি বেজবৰুৱাই ন মান



বজাত ঘৰলৈ গৈ জোবোৱা মাৰি গা ধুই ভাত এগাল নাকে কাণে গুঁজি স্কুললৈ লৰ ধৰে। সেইদৰে পঢ়া বাবে বেজবৰুৱাই এণ্ট্ৰেঞ্চ পৰীক্ষা পাচ্ কৰে। তেতিয়া ১৮৮৬ চন।

এইবাৰ বেজবৰুৱাৰ কলিকতাত পঢ়িবৰ মন। কিন্তু দেউতাকৰ পঢ়ুৱাবৰ মন নাই। বেজবৰুৱাৰ আগৰ দুজন ককাইদেৰেক গোবিন্দ আৰু গোলাপ কলিকতালৈ পঢ়িবলৈ গৈ চাহাব হ'ল। এইটো কথা দেউতাকে ভাল নাপালে। তেওঁ আগৰদিনীয়া মানুহ, চাহাব হ'লে বা বিলাতলৈ গ'লে মানুহৰ জাত যায়, এনেকুৱা ভাব তেওঁৰ আছিল। সেই সময়ত আন সকলো অসমীয়া মানুহৰে তেনেকুৱা ভাব। চাহাবক চুলে গা ধুব লাগে, বা জোতা মোজা পিন্ধি চকীৰ ওপৰত বহি ভাত খাব নাপায় এনেবিলাক কথা আগৰদিনৰ মানুহে বৰকৈ মানিছিল। কিন্তু বেজবৰুৱাৰ দুজন ককাইদেৰেক গোবিন্দ আৰু বিনন্দই তেওঁক কলিকতালৈ পঠাব লাগে বুলি দেউতাক দীননাথ বেজবৰুৱাক কুটুৰিবলৈ ধৰিলে। তেওঁ উপায় নাপাই তেওঁবিলাকৰ কথাতে মান্তি হ'ল আৰু কলেজত পঢ়িবলৈ বুলি বেজবৰুৱাক কলিকতালৈ পঠালে। বেজবৰুৱা

কলিকতালৈ আহি কালীঘাটত হাল্দাৰ উপাধি থকা বঙালী বামুণ এঘৰত থাকিবলৈ ললে। কিন্তু তাত জলা-আঞ্জা খাই বেজবৰুৱাৰ নাকে-চকুৰে পানী ববলৈ ধৰিলে। দেউতাকৰ কথামতে বেজবৰুৱাই সদায় গঙ্গাস্নান কৰিব লাগে। তাৰ উপৰি সন্ধ্যা-আহ্নিক, নাম-প্ৰসঙ্গ এইবোৰতো আৰু এৰিবকে নোৱাৰে। গা ভালে ৰাখিবলৈ কি কি কৰিব লাগিব সকলোবোৰ কথা দেউতাকে বেজবৰুৱাক শিকাই পঠাইছিল আৰু তেওঁৰ হতুৱাই বহী এখনত ভালকৈ লিখাই লৈছিল।

হাল্দাৰ পৰিয়ালত বেজবৰুৱাই খোৱা-বোৱাতো দিগ্ পাবলৈ ধৰিলে। বেজবৰুৱাই ঘৰত খাইছিল খৰিচা, কাহুদি-খাৰলি, টেঙা দিয়া লফা শাকৰ আঞ্জা, ঔ টেঙা দিয়া মাটিমাহ, বৰালি মাছ; ইয়াত খাবলৈ পালে চৰ্চৰি, তৰ্কাৰি, ছজিনা-ভজা, মৰিচা শাকৰ ঠাৰি, মচলা দি ক'লাকৈ ৰন্ধা এখুটুৰা মাছৰ জোল। এইবোৰ খাই তেওঁৰ পেটৰ পোৰণি হ'ল।

কলিকতাৰ ৰিপন কলেজত তেওঁ পঢ়িবলৈ নাম লগাই ললে। কালীঘাটৰপৰা তালৈ ট্ৰামগাড়ীত উঠি যায়। সেইসময়ত ট্ৰাম-গাড়ী ঘোঁৰাইহে টানিছিল, আজিকালিৰ



দৰে বিজুলীৰে নহয়। মানুহৰ ভৰ বেচি হয়, ঘোঁৰাই একোপধ্যে টানিব নোৱাৰে। কলেজ পাওঁতে পলমেই হয়।

কলেজৰ পঢ়া, স্কুলৰ পঢ়া একে নহয়। কলেজত অধ্যাপকে 'নোট' দিয়ে। সকলো কথা ইংৰাজীতে হয়। ছাত্ৰসকলে অধ্যাপকৰ বক্তৃতা শুনি 'নোট' লিখি লয়। বেজবৰুৱাই ঘৰত খকা-খুন্দা কৰি থাকোঁতেই তেওঁৰ সময় গ'ল। তেওঁ যেতিয়া কলেজত নাম লগাই লৈছিল তেতিয়া কলেজত আধাখিনি পঢ়া শেষ। তেওঁ শ্ৰেণীৰ পঢ়াৰ মাজভাগতহে নাম লগাই ললেহি। সেইদেখি অধ্যাপকৰ বক্তৃতাৰ তেওঁ মোৰ নোপোৱা হ'লত পঢ়া-শুনাৰ আঁটডাল ভালকৈ ধৰিব নোৱাৰিলে। এনেয়ে খোৱা-বোৱাৰ বেমেজালিত গা বেয়া; তাতে কলেজ ধৰিবহি লাগে ৰাতিপুৱাই বহুত দূৰৰপৰা আহি। অচিনাকি ঠাই, অচিনাকি মানুহ। তেওঁৰ মন নিৰাশাৰে ভৰপূৰ হ'ল।

তেওঁ ভাবিলে, কলিকতাত পঢ়াসোপা হ'ল আৰু। এতিয়া ঘৰৰ ল'ৰা ঘৰলৈ উভতি যাব পাৰিলেই ভাল।

বেজবৰুৱাই ককাইদেৰেক এজনৰ লগ লৈ কলিকতাৰ পৰা পঢ়া-শুনা এৰি ঘৰলৈ উভতি আহিল। সেই সময়ত অসমত ৰেল-গাড়ী নাছিল। ডাক-জাহাজ চলিছিল। তেওঁ দিচাংমুখৰ জাহাজ-ঘাটৰপৰা শিৱসাগৰলৈ ন মাইল বাট খোজ কাঢ়ি আহি ঘৰ পালেহি।

দেউতাকে হেৰোৱা লৰাটো ঘূৰাই পাই বং মনেৰে ঘৰলৈ লৈ আহিল।

৯

বেজবৰুৱা আকৌ আহিল কলিকতালৈ তেওঁ এইবাৰ দৃঢ় প্ৰতিজ্ঞ হৈ আহিল। তেওঁ ক'লে, যত্ন সৰ্বজয়। যত্ন কৰিলে সুফল হ'বই হ'ব। এই আশাত হিয়া ভৰাই লৈ বেজবৰুৱাই চিটি কলেজত নাম লগাই ললে।

অঙ্কত তেওঁ অলপ পিচপৰা আছিল। তেওঁৰ লগৰীয়া বন্ধু ঘনশ্যাম বৰুৱাই তেওঁক সহায় কৰিলে। টান অঙ্কবোৰ তেওঁৰ সহায় পাই বেজবৰুৱাই ভালকৈ বুজি লবলৈ সুবিধা পালে। পঢ়া-শুনাত তেওঁ আগ বাঢ়িল।



এণ্ট্ৰেঞ্চ পৰীক্ষাত উঠোতেই বেজবৰুৱাই চৰকাৰী বৃত্তি এটা পাইছিল। চিটি কলেজত সেই খৰচেৰে পঢ়িবলৈ ধৰিলে। ঘৰৰপৰা তেওঁৰ খৰচ নহাতো তেওঁ অসুবিধা নাপালে।

১৮৮৮ চনত তেওঁ চিটি কলেজৰপৰাই এফ্ এ পাছ কৰে।

১০

১৮২৬ চনত ইংৰাজে যেতিয়া আমাৰ দেশখন লয় তেওঁবিলাকে ইংৰাজী ভাষাত আমাৰ দেশত চলাবলৈ ধৰে। আমাৰ মানুহে ইংৰাজী শিকিলে তেওঁবিলাকৰ সুবিধা হয়। কিন্তু তেওঁবিলাকেও যদি দেশৰ মানুহৰ লগত কথা পাতিব নোৱাৰে তেওঁবিলাকৰো অসুবিধা। সেইদেখি তেওঁবিলাকে দেশৰ মানুহৰ ভাষাৰ অনুসন্ধান কৰিলে। তেওঁবিলাকে বুজিব পাৰিলে যে বঙলা ভাষা আমাৰ দেশৰ ভাষা নহয়। আমাৰ দেশৰ স্বকীয়া ভাষা আছে যাৰ নাম অসমীয়া ভাষা। তেওঁবিলাকে দেখিলে যে অসমীয়া আৰু বঙলা আকাশ পাতাল প্ৰভেদ।

যিসকল ইংৰাজে এইদৰে অসমীয়া ভাষাক এটা স্বকীয়া ভাষা বুলি ভাবিলে, তেওঁবিলাক খ্ৰীষ্টিয়ান পাদুৰী আছিল। তেওঁবিলাকে 'অৰুণোদই' নামেৰে এখন অসমীয়া বাতৰি কাকত উলিয়ালে আৰু অসমত খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰ কৰিবৰ কাৰণে যো-জা কৰিলে। যাদুৰাম ডেকা বৰুৱাৰ হতুৱাই তেওঁবিলাকে এখন অসমীয়া অভিধান লিখালে। ব্ৰঞ্চন্ নামেৰে এজন চাহাবেও লিখিবলৈ ললে। পাচত হেমচন্দ্ৰ বৰুৱাই ডাঙৰকৈ এখন অসমীয়া অভিধান লিখিলে যাৰ নাম হেমকোষ।

হেমৰ কোষেৰে ওখ দোল বান্ধি
ভাষাক সাৰথি কৰি,
নুমাব লগীয়া অসমীয়া নাম
ৰাখিলে জিলিকা কৰি।

অসমীয়া ব্যাকৰণ এখনো লিখিলে হেমচন্দ্ৰ বৰুৱাই। আনন্দৰাম ঢেকিয়াল ফুকনে লিখিলে এখন অসমীয়া পাঠ্য কিতাপ। কিতাপখনৰ নাম 'অসমীয়া লৰাৰ মিত্ৰ'। গুণাভিৰাম বৰুৱাই লিখিলে 'অসম বুৰঞ্জী'। ইয়াৰ ফলত ১৮৭২ চনৰপৰা অসমৰ শাসনকৰ্তা ছাৰ জৰ্জ কেম্বেলে অসমীয়া ভাষা অসমৰ পঢ়াশালিবিলাকত আকৌ চলাই দিলে। 'অৰুণোদই' ওলাল। 'অৰুণোদই'ৰ পাচত ওলাল



'মৌ' আৰু উলিয়ালে 'আসাম বন্ধু'। হেমচন্দ্ৰ বৰুৱাই উলিয়ায় 'আসাম নিউজ্'। বেজবৰুৱাই 'আসাম নিউজ্' পঢ়িয়েই অসমীয়া ভাষাত সুন্দৰ আৰু শুৱলাকৈ গদ্য লিখিবলৈ শিকে।

পঢ়াশালিত অসমীয়া ভাষা চলিল হয়, কিন্তু অসমীয়া সাহিত্য ক'তা? পুৰণি সাহিত্য অসমীয়াৰ আছে সঁচা। কিন্তু সকলোবোৰ সাঁচিপতীয়া পুথি। ছপা-পুথি এখনো নাই। চন্দ্ৰকুমাৰ আগৰৱালাৰ দেউতাক হৰিবিলাস আগৰ-ৱালাই শঙ্কৰদেৱৰ কীৰ্ত্তন পুথিখন ছপা কৰে। এই কীৰ্ত্তন-খন অসমীয়াৰ ডাঙৰ সাহিত্যৰ কিতাপ। কিন্তু পুৰণি সাহিত্য। নতুন সাহিত্যৰ কিতাপ অসমীয়াক লগা হ'ল।

লক্ষ্মীনাথ বেজবৰুৱা তেতিয়া ছাত্ৰ। তেওঁ এফ্ এ পাচ কৰিছেহে। তেওঁৰ লগৰীয়া ছাত্ৰসকলৰ ভিতৰত আছিল চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, সত্য-নাথ বৰা, ৰমাকান্ত বৰকাকতী, লম্বোদৰ বৰা, ৰাধাকান্ত সন্দিকৈ, কনকলাল বৰুৱা, ৰজনীকান্ত বৰদলৈ, শিৱৰাম বৰদলৈ, ঘনশ্যাম বৰুৱা, গুঞ্জানন বৰুৱা আৰু ৰত্নেশ্বৰ বৰুৱা। কলিকতাৰ ৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰিটত এই অসমীয়া ছাত্ৰসকলৰ 'মেচ'। তাত ১৮৮৮ চনৰ ২৫ আগষ্টৰ

দিনা এখন সভা বহে। সেই সভাখনৰ নাম অসমীয়া ভাষা উন্নতি সাধিনী সভা। এই সভাতে ১৮৮৮ চনতেই লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্যৰ উন্নতিৰ বাবে সকলোকে লাগিবলৈ কয়। তেতিয়া তেওঁবিলাকে "জোনাকী" নামেৰে এখন অসমীয়া মাহেকীয়া কাকত উলিয়াবলৈ থিৰ কৰিলে। সেই চনতে মাঘমাহত "জোনাকী"ৰ প্ৰথম সংখ্যা কাকত ওলাল। সম্পাদক চন্দ্ৰকুমাৰ আগৰৱালা।

অসমীয়া সাহিত্যত "জোনাকী"ৰ আবিৰ্ভাৱ ঘটা মানেই অসমীয়াৰ নতুন সাহিত্যৰ আবিৰ্ভাৱ। এই ডাঙৰ কাম সমাধা কৰিবৰ বাবেই ঈশ্বৰে বেজবৰুৱাক কলিকতালৈ আনিছিল। যিহওক অসমত তেতিয়াৰপৰাই 'জোনাকী' যুগৰ আৰম্ভ হ'ল।

প্ৰথম সংখ্যা 'জোনাকী'ৰ পৰাই বেজবৰুৱাৰ 'লিটিকাই' ওলাবলৈ ধৰিলে। 'লিটিকাই' এখন ধেমেলীয়া নাটক। পঢ়িলে মানুহৰ হাঁহিত পেটৰ নাড়ী ছিগে যেন হয়। হাস্যৰস সাহিত্যৰ ডাঙৰ ৰস। মানুহৰ মন প্ৰাণ প্ৰফুল্ল ৰাখিবলৈ হ'লে বিমল হাঁহিৰে মানুহে নিজক আৰু আনক আনন্দিত কৰি ৰাখিব লাগে। তেহে মানুহে সংসাৰৰ কাম কৰিবলৈ বল পায়। ঈশ্বৰে তেওঁৰ সৃষ্টিত



আনন্দ-ৰস বেচিকৈ দিছে যদিও মানুহে তাক সহজে ধৰিব নোৱাৰে। দৰ্শন নামৰ এখন শাস্ত্ৰ আছে। দৰ্শন-শাস্ত্ৰই আমাক শিকাইছে যে লোকৰ দুখ পতিয়ালে মানুহে নিজকো আৰু আনকো সুখ দিব পাৰে। সাহিত্যৰ ডাঙৰ ডাঙৰ কিতাপবোৰ দৰ্শনৰ কিতাপ। গীতা শাস্ত্ৰও এখন দৰ্শন। উপনিষদ নামৰ দৰ্শন কিতাপবোৰৰ গীতা সাৰভাগ। গীতাত লিখিছে জ্ঞানতকৈ পৱিত্ৰ একো নাই। জ্ঞান লাভ হ'লে মানুহে দুখতো আনন্দ কৰিব পাৰে। দৰ্শনে শিকাইছে যে সকলোৰে ভিতৰত একেটা বস্তুৱেই আছে। সেই বস্তুটোৰ নাম আত্মা। মৰিলে একে ঠাইতে সেই আত্মা মিলে। বুদ্ধি আৰু কাম অনুসাৰে মানুহ বেলেগ হয়। কিন্তু সকলো মানুহে সহজে তেনে জ্ঞান পোৱা টান। কিন্তু আনন্দ সকলোকে লাগে। সেইদেখি মানুহক ৰঙিয়াল কৰি ৰাখিবলৈ হাঁহি উঠা কথা কব লাগে। বেজবৰুৱাই 'লিটিকাই'ত তেনেকুৱাই হাঁহি উঠা কথা কৈছে। সেইবোৰ পঢ়ি সাধাৰণ মানুহেও হাঁহিব পাৰে আৰু সাহিত্যৰ ৰস পায়।

'জোনাকী'ত ইয়াৰ বাহিৰেও নানা ধৰণৰ প্ৰবন্ধ ওলাল। গুণাভিৰাম বৰুৱাই তাত 'আগৰ দিন আৰু

এতিয়াৰ দিন’ বুলি প্ৰবন্ধ লিখিছিল। হেমচন্দ্ৰ গোস্বামীয়ে ‘ভালপোৱা’ আৰু চন্দ্ৰকুমাৰ আগৰৱালাই ‘বন-কুৱঁৰী’ আৰু নিয়ৰ ‘নামৰ’ কবিতা লিখিছিল। কমলাকান্ত ভট্টাচাৰ্য্যই কবিতা লিখিছিল ‘পাহৰণি’ আৰু ঘনশ্যাম বৰুৱাই গদ্য প্ৰবন্ধ লিখিছিল ‘আত্মশিক্ষা’। ৰঘুনাথ চৌধাৰী জোনাকী-যুগৰ শেষ কবি আছিল।

## ১১

শিৱসাগৰত তেতিয়া কালিপ্ৰসাদ চলিহা ডাঙৰ উকীল। সেইকালত বিলাতলৈ যোৱা মানুহৰ ভিতৰত তেওঁ এজন। বেজবৰুৱাক তেওঁৰ দৰে উকীল কৰিবৰ বাবে দেউতাকে বিচাৰিছিল। কিন্তু তেওঁৰ এই উদ্দেশ্য সিদ্ধি নহ’ল।

বেজবৰুৱাই জেনেৰেল এচেম্ব্লি কলেজৰপৰা বি, এ পাচ্ কৰাৰ পাচত তেওঁ ৰিপন কলেজত আইন আৰু প্ৰেচিডেন্সি কলেজত এম্ এ পঢ়িবলৈ লৈছিল।

চন্দ্ৰকুমাৰ আগৰৱালাক লগপোৱাৰ পাচৰপৰা বেজবৰুৱাৰ মন ব্যৱসায় বাণিজ্যৰ ফালে ঢাল



খায়। তেওঁ বি, এ পাচ্ কৰাৰ পাচত সেইবাবে তেওঁ চৰ্কাৰী চাকৰি নললে। অসম চৰ্কাৰে তেওঁক ই-এ-চিৰ পদ দিছিল। কিন্তু তেওঁ স্বাধীনভাৱে জীৱিকা উপাৰ্জন কৰি চলিম বুলি কৈ চাকৰি নকৰো বুলি কলে। বেজবৰুৱাই বেচি ধনী নহৈ পেটে-ভাতে খাই থাকিবৰ মনকৰা বিধৰ মানুহ আছিল। এই ইচ্ছা পূৰণত তেওঁক সহায় কৰিলে ভোলানাথ বৰুৱাই।

ভোলানাথ বৰুৱা কলিকতালৈ আহি বেজবৰুৱাৰ লগত থাকিবলৈ ললে। তেওঁ আগতে গুৱাহাটীত মাণিক চন্দ্ৰ বৰুৱাৰ লগত ব্যৱসায় কৰিছিল। বৰুৱা ফুকন ব্ৰাদাৰ্চ নামৰ কাৰবাৰত তেওঁ অংশ লৈছিল। তেওঁবিলাকৰ নিজা জাহাজো আছিল।

কলিকতাত ভোলাবৰুৱাই চাহপাত আৰু কপাহৰ কাৰবাৰ কৰিবলৈ ললে। তাৰ পাচত কাঠৰ কাৰবাৰত হাত দিয়ে। কাঠৰ কাৰবাৰ কৰিয়েই ভোলাবৰুৱা ধনী হৈ পৰিল। বেজবৰুৱাৰ লগত থাকিয়েই ভোলাবৰুৱাই ভাল পাইছিল। বেজবৰুৱাই লিখা ‘লিটিকাই’ পঢ়ি তেওঁ সোৱাদ পায়। তাৰ উপৰি ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভতিজা-জীয়েক প্ৰজ্ঞাসুন্দৰী দেৱীক বিয়া কৰোৱাৰ পাচত বেজ-

বৰুৱা কলিকতাত লেখত লব লগীয়া এজন ডাঙৰ মানুহ হ'ল। কলিকতাত তেওঁক সকলোৱে চিনি পায়। অসমীয়া সাহিত্যিকক কলিকতাৰ মানুহে ভালকৈ চিনি নাপালেও ঠাকুৰ-পৰিয়ালৰ জোঁৱায়েক বুলিলে সকলোৱে জনা হ'ল। ভোলাবৰুৱাই বেজবৰুৱাক নিজৰ ভায়েক বুলি প্ৰচাৰ কৰি দিলে। সেইবাবে সকলো মানুহে তেওঁকো খাতিৰ কৰা হ'ল। ব্যৱসায়ৰ বাবে ভোলাবৰুৱাই এইটো ডাঙৰ সুযোগ পালে আৰু যদিও তেওঁ ওৰে জীৱন বিয়া নকৰোৱাকৈ থাকিল তথাপি দেশৰ মানুহক চহকী কৰি যাব পাৰিলে। মানুহ ব্যৱসায়ী হ'লে দেশৰ মানুহৰ উপকাৰ হয়। ভোলানাথ বৰুৱাই আৰু এটা ভাল কাম কৰিলে। তেওঁ লক্ষ্মীনাথ বেজবৰুৱাৰ 'মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ জীৱন-চৰিত' নামৰ ডাঙৰ কিতাপখনৰ ছপা খৰচ দিয়ে। কিতাপখন বেজবৰুৱাই তেওঁৰ নামতে উছৰ্গা কৰিছে।

পাচত মতান্তৰ ঘটিলেও বেজবৰুৱাই নিজৰ জীৱনৰ ভালেমানকাল ভোলাবৰুৱাৰ লগত ব্যৱসায় কৰি কটালে। ঝাৰচোগোড়া, আচাঞ্চোল আদি ঠাইলৈ অহাযোৱা কৰিবৰ পৰিশ্ৰম কৰিলে। কাঠনি হাবি, ৰেলৰ অফিচ, জাহাজ



বন্ধা ডক সকলো ঠাইতে তেওঁৰ একে খাটনি। কলিকতাৰ বাটে বাটে খোজকাঢ়ি ফুৰি জীৱিকা উপাৰ্জনৰ চেষ্টা কৰিলে। চকীত আৰামকৈ বহি চৰ্কাৰী চাকৰি কৰাৰ সুখ বেজবৰুৱাৰ কপালত নাছিল। তেওঁ চকীত বহি যি সুখ লৈছিল সেই সুখ সাহিত্য চৰ্চাৰ সুখ। তেওঁ ভালেমান কিতাপ লিখি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিলে। কলিকতাৰ ওচৰৰ হাওড়াৰ ৰোজমেৰি লেনৰ লৰেলচ্ নামৰ ঘৰ এটা কেৰেয়াকৈ লৈ তেওঁ বাস কৰিছিল। তাত তেওঁৰ তিনিজনী ছোৱালীৰে সুখেৰেই আছিল। তেওঁৰ ছোৱালী কেইটিৰ নাম অৰুণা, ৰত্না আৰু দীপিকা।

## ১২

বেজবৰুৱা বি-এল আৰু এম-এ পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰিলে। তেওঁ যেতিয়া বি এল্ পৰীক্ষা দিবলৈ সাজু হয় তেওঁৰ লগত থকা ভোলানাথ বৰুৱা তেতিয়া টান নৰিয়াত পৰে। নৰিয়া পৰদি থাকোঁতে থাকোঁতেই বেজ-

বৰুৱাৰ দিন গ'ল। ডাক্তৰ মাতি অনা, ঔষধ দিয়া, পৰিচৰ্য্যা কৰা এইবোৰ কাম তেতিয়া বেজবৰুৱাৰ। নৰিয়াৰ পতি কৰোঁতেই বেজবৰুৱাৰ তৰণি নাই, তেওঁ পঢ়ে কেতিয়া। তদুপৰি সকলো সময়তে ভোলাবৰুৱাই বেজবৰুৱাক বিচাৰে। এবাৰ বেজবৰুৱা শিৰসাগৰৰ ঘৰলৈ আহিছিল। দেউতাকৰ তেতিয়া নৰিয়া। ভোলাবৰুৱাই বেজবৰুৱালৈ টেলিগ্ৰাম কৰি তেওঁক মাতি পঠিয়ায়। নৰিয়া-পাটিত পৰি থকা দেউতাকক এৰি থৈ বেজবৰুৱা কলিকতালৈ উভতি গৈ ভোলাবৰুৱাক লগ ধৰে। ব্যৱসায়-জীৱনে বেজবৰুৱাক ধন্য কৰিব নোৱাৰিলেও তেওঁৰ সাহিত্যিক জীৱনে তেওঁক অমৰ পুৰুষ সকলৰ শাৰীত ৰাখিলে। তেওঁ অসমীয়াত সকলো ধৰণৰ সাহিত্য ৰচনা কৰিলে।

## ১৩

কৃপাবৰ বৰবৰুৱা আৰু লক্ষ্মীনাথ বেজবৰুৱা একেজন মানুহেই। ১৯০৯ চনত বেজবৰুৱাৰ 'বাঁহী' নামৰ মাহে-



কীয়া কাকতখন ওলায়। তাৰ এসংখ্যাত এজনী ঘুঁৰীৰ ছবি ওলাইছিল। ঘুঁৰীজনীয়ে ডিম্ব অৰ্থাৎ কণী পৰা ছবিখনত দেখুৱা হৈছে। কৃপাবৰ বৰবৰুৱাক তিনিজন অসমীয়া ডাঙৰীয়াই দেখা কৰি 'কাগজ' এখন উলিয়াবলৈ কৈছে। কৃপাবৰ বৰবৰুৱাই যিখন 'কাগজ' উলিয়াব খুজিছে সেইখনকে 'ঘুঁৰীৰ বাঁহ' বুলি কৈ ক, ঙ আৰু দ ডাঙৰীয়াক কাগজৰ বৰঙনিৰ কথা এইদৰে কৈছে—

'সৌ যে ডিম্বকেইটা দেখিছা সেইকেইটা ফুটি ঘোঁৰা পোৱালি জগিলেই মোৰ খৰচ বাঢ়িব। সেইদেখি মোক সোনকালে অগ্ৰিম গ্ৰাহক আৰু পয়চা লাগে।'

বৰুৱাই এটা ছবিত বাঁহী এটা বজাই আছে। তেওঁৰ গাত ঠেঙা-কোট। মূৰত টুপী, মুখত ডাঢ়ি গোঁফ। বাঁহীটোৰ পৰা তাঁৰ এডাল বেঁকা-বেঁকি হৈ ওলাই গৈ তিৰোতা মানুহ এগৰাকীৰ গাত লাগিছেগৈ।

মানুহগৰাকীয়ে কৈছে—"ৰ ৰ হতচিৰী হোৱা! নবজাবি! টানি আঁজুৰি মাৰিব খুজিছনে কি? হামখুৰি খাই পৰি যাওঁ যদি?"

দ্বিতীয় বছৰৰ 'বাঁহীত' আৰু এটা কাৰ্টুন-ছবি কৃপাবৰ

বৰুৱাৰ কবিতাৰে ওলাইছিল। তাৰ নাম কবিতাৰ কাঠ-সংস্কাৰ। তাত ১নং ২নং ৩নং আৰু ৫নং কবিৰ কবিতা এনে—

কত আশা কৰি পাখি কলম ধৰি
বিচাৰিলোঁ আশা পদ্য ।
তাকো হৰি নিলে কৃপাবৰ কালে
জুইত পুৰিলে অদ্য ।
উজাগৰে থাকি তেল তিনি চাকি
পুৰি লিখিলো 'আশা'
একো ভাব মোৰ এমোন গধূৰ
তাৰ এনে কৰিলে দশা ।

২নং কবিয়ে লিখিলে—

আ-আমাৰ বা-বাৰীৰ পিছফালে
প-পৰিছিল কুলি এটা
দেখি ভুলি মই লেখিলো কবিতা
মো-মোৰ আ-আইৰে শপত ।
এ-এনেটো ক-কবিতা পু-পুৰিলে মো-মোৰ
হ-হতচিৰী হোৰা ব-বৰবৰুৱা ।



৩নং কবি—লিখি লিখি জাপি দিম, দিম খৰি তাক ।
৪নং কবি—দিম খলি তাক, ওলাইছে এতিয়াই
কবিতা সুন্দল মোল, হেলা ভোটা তলা
কবি-গাওঁবুলা ! শুনিবানে এটি
কলা কাউলী
গ'ল উলি,
কা কলে
প্লান হলে ।

ইয়াৰ বাহিৰেও কবি আৰু কবি পোৱালি নামৰ কবিতাত মানুহৰ মূৰেৰে এজনী হাঁহ ছবি আঁকি তাত সৰু সৰু হাঁহ-পোৱালি কেইটামানো লগে লগে যোৱা দেখুৱাইছে—

পোহৰী কাকত—টেঁ-টেঁ-টেঁ ! টেঁ-টেঁ-টেঁ ! টেট্ ।
প্ৰথম কবি পোৱালি—মলয়াত উটি, আহিব লাগিছো, এতিয়াই হ'ব ভেঁট ॥

পোহৰী—টেঁ-টেঁ-টেঁ ! টেঁ-টেঁ-টেঁ ! টেট্ ।
দ্বিতীয় কবি পোৱালি—কুউৱাই কুলিয়ে, আগচি ধৰিছিল, বলেৰে আহিছোহঁত ॥

পোহৰী—টেঁ-টেঁ-টেঁ ! টেঁ-টেঁ-টেঁ ! টেট্ ।
তৃতীয় কবি পোৱালি—জোনৰ পোহৰত জলক-টবক চকু

বোকাত খাইছোঁ লেট।

পোহৰী—............

চতুৰ্থ কবি পোৱালি—ভোমোৰাই গোঁজৰে বৰ ভয়ে ধৰে, হেৰ মোক লৈ যাইঁত॥

পঞ্চম কবি পোৱালি—ঠাইদি ৰাখিবা মোৰ এই কবিতা পোহৰী কাকতখনত।

ষষ্ঠ কবি পোৱালি—বঢ়া-টুটাবোৰ, টুটাই বঢ়াই লʼবা, মোৰ মূৰৰে শপত।

কৃপাবৰ বৰবৰুৱাৰ এনেকুৱা ব্যঙ্গ ছবি আৰু ৰচনাৰ অন্ত নাই। বেজবৰুৱাই সম্পাদন কৰা প্ৰত্যেক সংখ্যা বাঁহীতে বৰবৰুৱাৰ ছবি ভৰি আছে। ইয়াৰ ঘাই উদ্দেশ্য ইতিকিং বা ঠাট্টা বিদ্ৰূপৰ যোগেদি শুদ্ধকৈ অসমীয়া ভাষা লিখিবৰ বাবে মানুহক বোধ দিয়াটোৱেই ঘাই। বাকি-বোৰ উদেশ্য বিমল আনন্দ ৰস। এখন ছবিত এটা জখলা লগাই গাঠলু নামৰ লৰা এটাই দীঘলা নামৰ দীঘল মানুহ এজনৰ কানত উঠিবলৈ চেষ্টা কৰিছে। তাত লিখিছেঁ এই-দৰে—

দীঘলা—মইমত! এইখন কি ভুল লিখিছ? তোৰ বিদ্যা বুদ্ধি থাকিলেহে লিখিবৰ নিয়ম ঢুকি পাবি?



গাঠলু—বোলোঁ সেইদেখিহে জখলা লগাইছোঁ; উঠি গৈ তোমাৰ সেই ওলমি থকা বিদ্যাৰ বিচনীখন ধৰি লৰাই দিলে কিজানি অলপ বিদ্যাৰ বা পাৰেঁই।

'বাঁহী' কাকতখন ভিপি কৰি পঠিয়ালত বহুতৰপৰা উলটি আহিলত বৰবৰুৱাই ব্যঙ্গ ছবি এটা আঁকি তলৰ কথাখিনি লিখিলে। বৰটোকোলা এটাৰ ছবি আঁকি তাৰ টোটোলাত ন খন 'বাঁহী' সুমুৱাই থোৱা দেখুৱাই ভিপি কৰা বাঁহীখন কাঁইটীয়া কৰি বৰটোকোলাটোৰ দুয়ো ঠুঁটৰি মাজত সুমাই দিছেঃ—

বৰবৰুৱা—ভো ভো পক্ষীৰাজ,
আমাৰ এই একাদশ সংখ্যা বাঁহীখনি
গিলক হে পক্ষীৰাজ!
যদি নিগিলি এই বাঁহী পইচা কৰে ৰাহি
শোকত সম্পাদকৰ প্ৰাণ হʼব বাজ।

পক্ষীৰাজ—কেনেনো আভজা বৰবৰুৱা হেৰা
ভিপি কাঁইটে বাঁহীক কৰিছে ভোবোৰা॥
যদি আছিল বাঁহী গিলাবৰ মন
ভিপি কাঁইটৰ কিবা প্ৰয়োজন?
আগৰ নখন হেৰা দৃষ্টিপাত কৰা
টোটোলাত সুখে কৰিছে শয়ন।

কৃপাবৰ বৰবৰুৱালৈ দিয়া চিঠিবোৰো বেজবৰুৱাই 'বাঁহী'ত ছপা কৰি উলিয়াই দিয়ে। তাৰে এখন এনেকুৱা—

'তুমি আমাক ঠাট্টা কৰি শিয়াঁৰি থাকিবা
আৰু আমি বেচ দি বাঁহী লৈ থাকিম, ভালাৰে ভালা'

শ্ৰীআমুকা'

বহাগৰ বিহুক বেজবৰুৱাই সমাদৰ কৰি 'বাঁহীত আলোচনা, ছবি আৰু কবিতা প্ৰকাশ কৰাত ১৮৩৪ শকৰ 'বাঁহী'ত কৃপাবৰ বৰবৰুৱাৰ ছবি আৰু কবিতা ওলাল—

"বিদ্যা দিগগজপতি—ৰ-ৰ-ৰ ৰবি, না-না-না-নাচিবি
ব-ব-ব বৰ নি-নি-নি নিলাজ;
ছা-ছাতৰবোৰ গু-গু-গুচ্ ইল।
নাঙলু—তুমি বিহু নাচ গাই, বিহু নাচ নাচি নিলাজ কবিতা লিখি কুনীতি প্ৰচাৰ কৰি দেশখন তল নিয়ালা। হাক দিলে নুশুনাত পৰিলা যেতিয়া এই টোকোনেৰেই মৰিয়াই তোমাৰ ককালৰ যোৰা ভাঙিম এতিয়া।"

বৰবৰুৱাই ধুন্দুলি কুটা, ধুন্দুলি কুটা শুদা ধুন্দুলি কুটা কবিতাৰ এফাকি তলত দিলো—



"পকা খৰিচা, পকা খৰিচা, শুদা খৰিচা পকা,
বিদ্যা নাই, গপ আছে, অসমীয়া ভীমটোকা।"

মিছা প্ৰত্নতাত্ত্বিকক ঠাট্টা কৰিবৰ বাবে কৃপাবৰে এজনী পোহাৰীৰ ছবি আঁকি কাষতে মাছ ওলোমাই লৈ থকা বাবু এজনক থিয় কৰাই থৈছে। পোহাৰীক পটা এখনত হালধি বটা দেখুৱাইছে।

বাবু—হালধি বাটোতে লৰাই কাণৰ কৰীয়া,
পিহি যাক কৰিব লাগিছা নাইকিয়া,
জানানে তাত কি ৰত্ন আছে ?
পোহাৰী—আললু আপচু দিবলৈ বহি,
মোৰ কাণৰ কৰীয়া লৰিল তোৰ
কি হ'ল ?···হেৰা, এইফালে আহাচোন ক'ৰ এইটো দিন-ডকাইত পটানত ওলাইছে। সি মোৰ পটাখনকে এই দিন দুপৰতে কাঢ়ি নিবলৈ আহিছে। অপমান পাই প্ৰত্নতাত্ত্বিকজন পলাল।

সেই সময়ত বেজবৰুৱাৰ 'বাঁহী'ত কৃপাবৰ বৰুৱাৰ নানা ধৰণৰ ছবি ওলাইছিল। সকলোবোৰ ছবিৰ কথা কৈ অন্ত কৰিব নোৱাৰি। অসমীয়াৰ জীৱনত যি ঘটে তাৰ

কোনো এটা কথাকেই বেজবৰুৱাই এৰি দিয়া নাছিল। 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা' আৰু 'কৃপাবৰ বৰুৱাৰ ওভতনি' নামৰ দুখন কিতাপ লিখি বেজবৰুৱাই অসমীয়াক হাস্যৰস যেন পি খাবলৈ দিলে। অসমীয়াৰ পেট ঢকা-ডিঙৰা লাগিল। পুৰীত সাগৰৰ পাৰত বহি কৃপাবৰ বৰবৰুৱাই এইদৰে সাগৰ-সঙ্গীত লিখিছিল—

কিমাননো গোজৰা, কিমাননো গুমৰা
হেৰা বৰুণৰ বেটা,
দেও পাৰনি উথলনি যেন
বায়নৰ ধেমালিৰ ঘেটা।
ফোচ্‌ফোচনি, হুৰ্‌হুৰনি
গিৰ্‌গিৰণি গাজনি
ফোপাউৰি দেদাউৰি
শেহত তেলত খাৰণি।
ডাঙৰ ঢৌৰ বগা ধোঁৱাত
উঠি মাৰা চোচা,
পাৰত বহি বুজো মই
এই ভাবুকি মিছা।

* *



ডবল কোবৰ ডবল চপৰা
সাগৰ বৰপুখুৰী,
আগস্তিয়ে শুকাই থলে
সোহা এটা মাৰি।
বৰবৰুৱা পেটাল হ'ল
পেটেই খালক খালে,
নতু, হনুমন্তক কাহা-
নিয়েই হৰুৱালে।

* *

অনাহকত ইমান ঠাই
জুৰি আছা কিয় ?
পৃথিৱীখন দুভাগ গিলিছা
এভাগত মানুহ থিয়।
নতু অমৃতাৰ ঠাৰিৰ নলেৰে
সোহা মাৰি থ'ম,
পলসুৱা মাটি উলিয়াই
শালিধান ব'ম
তফাৎ যোৱাঁ, শুকাই যোৱাঁ
ঠাই এৰি দিয়া,

আগস্তি গোত্রৰ কৃপাবৰে
হুকুম দিয়ে চোৰাঁ ॥

এনেকুৱা কৃপাবৰ বৰবৰুৱাক সাগৰেও জানো ভাল পাব পাৰে ? একো একোটা বছৰৰ মূৰে মূৰে বিহু আহে। তেনেকুৱা এটা বছৰকে উদ্দেশ কৰি বৰুৱাই বিহুৰ কবিতা লিখিবলৈ লৈছিল, এনেতে জয়ধ্বজ নামৰ বামুণ এজন সোমাই আহিলত কবিতা-কুৰঁৱীৰ বিহাৰ আঁচলৰ এইকে-ইডাল দহী মাথোন বৰবৰুৱাৰ হাতত থাকিল—

১৮৩৫ শকে
পাৰি এটি কণী,
৩৬৫ দিন
দিছিল উমনি ।
৩০ চ'তৰ ওৰ পৰিল
ফেঁহুজালি বেলি,
ঢোলৰ কোবত ফুটিল কণী
কাউৰীৰ ৰমলি ।
৩৬ শকৰ পোৱালিটি
ওলাই দিলে লৰ,
কপাকপ খুটি খালে



দণ্ড পলবোৰ ।
চুলি পকাই বৰবৰুৱাক
খাবৰ যেন দেখি
ৰাইডাঙৰ কোব দিলেঁ।
পিঠিত লেখি লেখি ।
কোব ঢৰিয়াই সৈ কঢ়ালো
বুলিছে পলাম,
১২ মাহৰ পিছত কৈছে
নিশ্চয় পলাই যাম ।
বেছ কথা, সিও ভাল
আহক সাতত্ৰিশ,
শপত খুৱাই লৈ তাৰো
কাঢ়ি ল'ম বিষ ।

বছৰবিলাকেও যে বৰবৰুৱাৰ কথাত ভাল পাব এনে কথা ভাবিব নোৱাৰি ।

## ১৪

অসমীয়া ছাত্ৰ-সন্মিলনীৰ প্ৰথম অধিবেশনৰ সভাপতি হৈ বেজবৰুৱাই ১৯১৬ চনত গুৱাহাটীলৈ আহিছিল।

ছাত্ৰসকলক উদ্দেশ কৰি বেজবৰুৱাই তাত পঢ়া অভিভাষণখনত বহুতো সাৰুৱা কথা ক'লে। অকল পঢ়া শুনা কৰিয়েই যে মানুহ জাৰন যুদ্ধত আগবাঢ়ি যাব নোৱাৰে, বিজ্ঞান আৰু কাৰিকৰী শিক্ষাত যদি দেশখন পাচ পৰি থাকে তেনে যে দেশৰ উন্নতি নহয়, আনদেশৰ মানুহে অকল লেখা পঢ়া বিদ্যাত পাৰ্গত হৈয়েই যে দেশক ডাঙৰ কৰিব পৰা নাই, বুদ্ধি আৰু কাৰিকৰী বিদ্যা আয়ত্ত কৰিহে যে মানুহ ধনী আৰু ডাঙৰ হ'ব পাৰিছে আৰু ঈশ্বৰত বিশ্বাস ৰাখি, সৎ স্বভাৱৰ হৈ থাকিবৰ চেষ্টা কৰিলেহে যে মানুহ নামৰ যোগ্য হ'ব পাৰি, এনে বহুতো কথা ছাত্ৰসকলক বেজবৰুৱাই ক'লে।

ল'ৰাৰ কাৰণে বেজবৰুৱাই 'শ্ৰীভগৱৎকথা' নামৰ এখন সৰু কিতাপ লিখে। সৰু ল'ৰাই বুজিব পৰাকৈ ধৰ্মৰ ডাঙৰ তত্ত্ব-কথা বেজবৰুৱাই তাত লিখিছে। অসমীয়া ভাষাত প্ৰথম ভাৰতবৰ্ষৰ বুৰঞ্জী লিখে বেজবৰুৱাই। 'হাঁহি ধেমালি' নামৰ ল'ৰা-ছোৱালীয়ে পঢ়ি ৰং পোৱা কিতাপ এখনো তেওঁ লিখে। 'বাখৰ' নামৰ আৰু এখন কিতাপ সৰু ল'ৰাৰ উপযোগীকৈ বেজবৰুৱাই লিখিছে।

১৯০০ চনত বেজবৰুৱাই সুৰভিৰ মৃত্যুত বৰ শোক



পাইছিল। এই শোক পাহৰিবলৈ 'সুৰভি' নামেৰে এখন সাধুকথাৰ কিতাপ ১৯১৫ চনত বেজবৰুৱাই প্ৰকাশ কৰে।

ভোলাবৰুৱাৰ লগত মনান্তৰ হোৱাৰ পিচত বেলেগে কাঠৰ ব্যৱসায় কৰে। কলিকতাত তেওঁৰ মিতিৰ-কুটুমৰ ভিতৰত ডাঙৰ মানুহ কেবাজনো আছিল। এজনৰ নাম ছাৰ আশুতোষ চৌধুৰী। তেওঁ হাইকোৰ্টৰ বিচাৰক আছিল। কলিকতাত বাৰ্ড কোম্পানীৰ লগত তেওঁ বেজবৰুৱাক চিনাকি কৰি দিয়ে। এওঁবিলাকৰ লগত কাঠৰ কাৰবাৰত যোগ দিবৰ কাৰণে বেজবৰুৱা উৰিষ্যাৰ সম্বলপুৰত থাকিব লগা হয়। সম্বলপুৰেই বেজবৰুৱাৰ শেষ কৰ্মক্ষেত্ৰ।

অসম সাহিত্য সভাৰ সপ্তম অধিবেশনৰ সভাপতি হৈ বেজবৰুৱা গুৱাহাটীলৈ ১৯২৪ চনত আহে। তাত আৰ্ল ল কলেজৰ অধ্যক্ষ জ্ঞানদাভিৰাম বৰুৱাৰ লগত তেওঁ থাকেহি। সেই সভালৈ ৰজনীকান্ত বৰদলৈ আৰু পদ্মনাথ গোঁহাইবৰুৱাও আহিছিল। বেজবৰুৱা, বৰদলৈ আৰু গোহাঁইবৰুৱা তিনিও একেলগে বহি ভাত খোৱা দৃশ্য চাবলগীয়া হৈছিল। তেওঁবিলাকৰ সেইদিনাৰ কথা-

বতৰাত 'জোনাকী' কাকত জন্ম হোৱাৰ দিনৰ ছবি আকৌ জিলিকি পৰিছিল। সাহিত্যৰ কুৰুক্ষেত্ৰত তেওঁ-বিলাক তিনিজন আৰু হেমগোঁসাই আৰু চন্দ্ৰকুমাৰ আগৰৱালা মিলি পঞ্চপাণ্ডৱৰ দৰে হৈছিল। আমাৰ ভাষা সাহিত্যৰ হকে এইকেইজন সাহিত্যৰথীয়ে বিক্ৰমেৰে যুদ্ধ কৰিবলগীয়া হৈছিল। পদ্মনাথ গোহাঁই বৰুৱাই ভাবে ভাবে স্কুলীয়া কিতাপ দিলে, ৰজনী কান্ত বৰদলৈয়ে দিলে উপন্যাসৰ সম্ভাৰ, হেমগোঁসায়ে দিলে অসমীয়া সাহিত্যৰ চানেকি যাৰ বাবে অসমীয়া ভাষা কলিকতা বিশ্ববিদ্যালয়ৰ এম,এ শ্ৰেণীৰো পাঠ্য হ'ল। চন্দ্ৰকুমাৰ আগৰৱালাই দিলে "জোনাকী" আৰু কবিতাৰ শৰাই।

বেজবৰুৱাৰ সভাপতিৰ ভাষণৰ শেষতে শ্ৰীপ্ৰফুল্ল বৰুৱাই গালে 'গছে গছে পাতি দিলে ফুলৰে শৰাই, ৰাম ৰাম, ফুলৰে শৰাই' আৰু গালে 'সোণবৰণীয়া কেতেকী ধুনীয়া, গোন্ধতে আমোলমোল, পদুম বুলি পৰি, বন্দী হ'ল ভোমোৰা, কি ভুল, কি ভুল, ভুল।' বেজবৰুৱাৰ জীয়েক শ্ৰীমতী ৰত্না দেৱীয়ে মাজতে গালে ৰবীন্দ্ৰ সঙ্গীত—'আমি চঞ্চল হে'।



অভিভাষণৰ অন্তত বেজবৰুৱাই হাতযোৰকৈ কলে, 'নমো শতবাৰ হে-মোৰ জননী চিৰজনমৰ সাধনা'।

## ১৫

বেজবৰুৱাই জাতিৰ হাতত সমৰ্পণ কৰি থৈ গ'ল তেওঁৰ ৰচিত এই কেইখন কিতাপ—

কবিতা—কদমকলি ১৯১৩

নাট—লিটিকাই ১৮৯০, নোমল, পাঁচনি, চিকৰপতি-নিকৰপতি ১৯১৩; জয়মতী কুৱঁৰী, বেলিমাৰ, চক্ৰধ্বজ সিংহ ১৯১৫

উপন্যাস—পদুম কুৱঁৰী ১৯১৫।

সাধু—সাধুকথাৰ কুকি, জুনুকা, ১৯১০; বুঢ়ী আইৰ সাধু ১৯১১, ককাদেউতা আৰু নাতিল'ৰা ১৯১২; জোনবিৰি ১৯১৩।

ব্যঙ্গসাহিত্য—কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা, ১৯০৪; কৃপাবৰ বৰবৰুৱাৰ ওভতনি ১৯০৯।

জীৱনী—ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ জীৱন চৰিত ১৯০৯, মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ জীৱন চৰিত ১৯১৯।

সমালোচনা—শঙ্কৰদেৱ ১৯০৪।

তত্ত্বৰচনা—শ্ৰীভগৱৎ কথা ১৯১৫।

উপদেশ মূলক ৰচনা—কামত কৃতিত্ব লভিবৰ সঙ্কেত ১৯০৩, বাখৰ ১৯১৪।

ওবে জীৱন সাহিত্যৰ সেৱাত নিজক উছৰ্গি দিয়া বাবে অসম সাহিত্য সভাই বেজবৰুৱাক অভিনন্দিত কৰে। ১৯৩১ চনত জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ সভাপতিত্বত বহা অসম সাহিত্য সভাৰ অধিবেশনত বেজবৰুৱাক ৰসৰাজ বুলি অভিহিত কৰা হয়।

১৯৩৩ চনত বেজবৰুৱাই বৰোদা ৰাজ্যলৈ গৈ তাৰ ৰাজসভাত বৈষ্ণৱ ধৰ্মৰ বিষয়ে বক্তৃতা দি বিদেশত অসম মাতৃৰ মুখ পোহৰায়।

১৯৩৭ চনৰ ২৫ আগষ্টত বেজবৰুৱা ৰুগীয়া শৰীৰেৰে ডিব্ৰুগড় পায়হি আৰু তাতে থাকি ১৯৩৮ চনৰ ২৬ মাৰ্চত চিৰকালৰ কাৰণে মেলানি মাগি তেওঁ মৃত্যুৰ শান্তিময় কোলাত আশ্ৰয় লয়। লুইতৰ পাৰত তেওঁৰ



চিতাজুই জ্বলি উঠোঁতে এই গীতটোৱেই মানুহৰ মনলৈ আহিছিল—

অ মোৰ আপোনাৰ দেশ
অ মোৰ চিকুণী দেশ
এনেখন সুৰলা
এনেখন সুফলা
এনেখন মৰমৰ দেশ।